# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 08-04-2026 **Time :** 1100 Hrs.

ৰাজ্যৰ ১২৬টা বিধানসভা সমষ্টিত কাইলৈ একেটা পৰ্যায়তে ভোটগ্ৰহণ কৰা হ’ব। বিধানসভা নিৰ্বাচন মুক্ত, নিকা আৰু শান্তিপূৰ্ণভাৱে সম্পন্ন কৰিবলৈ প্ৰশাসনসমূহে প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ কৰিছে। এইবাৰ নিৰ্বাচনত ৭২২ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে। ইয়াৰে ৫৯ গৰাকী মহিলা প্ৰাৰ্থী। ৰাজ্যত ২ কোটি ৫০ লাখ ভোটদাতাই গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰিব পাৰিব। ইয়াৰ ১ কোটি ২৫ লাখ পুৰুষ, ১ কোটি ২৫ লাখ মহিলা আৰু ৩৪৩ গৰাকী তৃতীয় লিংগৰ ভোটদাতা আছে। ৰাজ্যৰ ৩১ হাজাৰ ৩৮৬টা ভোটকেন্দ্ৰত ভোটগ্ৰহণ নিয়াৰিকৈ পৰিচালনাৰ বাবে এশ শতাংশ ৱেব কাষ্টিঙৰ ব্যৱস্থা কৰা হৈছে। এই সময়ছোৱাত শান্তি শৃংখলা অটুত ৰখাৰ বাবে কেন্দ্ৰীয় সশস্ত্ৰ বাহিনীৰ কেইবা শতাধিক কোম্পানী নিয়োগ কৰা হৈছে। ৰাজ্যখনৰ ভিতৰত দৰং জিলাৰ দলগাঁও সমষ্টিত সৰ্বাধিক আৰু অনুসূচীত জনজাতিৰ বাবে সংৰক্ষিত পশ্চিম কাৰ্বি আংলঙৰ আমৰি সমষ্টিত সৰ্বনিম্ন ভোটদাতা আছে বুলি নিৰ্বাচন আয়োগৰ সূত্ৰই প্ৰকাশ কৰিছে।

ৰাজ্যৰ মুখ্য নিৰ্বাচন বিষয়া অনুৰাগ গোৱেলে প্ৰতিগৰাকী ভোটদাতাকে নিৰ্বাচন আয়োগে নিৰ্ধাৰণ কৰা নথি পত্ৰসহ ভোটকেন্দ্ৰসমূহলৈ গৈ ভোটৰ অধিকাৰ সাব্যস্ত কৰিবলৈ আহ্বান জনাইছে। শ্ৰী গোৱেলে কোনো সংশয় অবিহনে নিজৰ মৌলিক কৰ্তব্য পালন কৰিবলৈও সকলোকে আহ্বান জনাইছে।

বাইট

তেওঁ কয় যে প্ৰতিটো ভোটকেন্দ্ৰত খোৱাপানী, প্ৰস্ৰাৱগাৰ আৰু বিশেষভাৱে সক্ষমলোকৰ বাবে ৰেম্পৰ ব্যৱস্থাকে ধৰি সকলো সা-সুবিধা থকাটো নিশ্চিত কৰা হৈছে। নিৰ্বাচন আয়োগে শেহতীয়াকৈ নিৰ্বাচনী প্ৰক্ৰিয়া স্বচ্ছ কৰি তোলাৰ বাবে ৩০টা নতুন পদক্ষেপ লৈছে। এই অনুসৰি প্ৰতিটো ভোটগ্ৰহণ কেন্দ্ৰত সৰ্বাধিক এহেজাৰ দুশ গৰাকী ভোটদাতাই ভোটদান কৰিব পাৰিব বুলি নিৰ্বাচন আয়োগে প্ৰকাশ কৰিছে।

০০০০০০০০

নিৰ্বাচন আয়োগে বিধানসভা নিৰ্বাচনত ভোটদানৰ বাবে ভোটদাতাসকলে ভোটাৰ পৰিচয় পত্ৰৰ উপৰি অন্য ১২ বিধ নথি দেখুৱাই ভোটদান কৰিব পাৰিব বুলি প্ৰকাশ কৰিছে। ফটোযুক্ত ভোটাৰ পৰিচয় পত্ৰ নথকা ভোটদাতাসকলে এই ১২ বিধ নথিৰ যিকোনো এবিধ দেখুৱাই গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰিব পাৰিব। এই নথিসমূহৰ ভিতৰত আছে আধাৰ কাৰ্ড, এম জি এনৰেগাৰ জবকাৰ্ড, ডাকঘৰৰ পাছবুক, আয়ুষ্মান ভাৰত, স্বাস্থ্য বীমা স্মাৰ্ট কাৰ্ড, গাড়ী চালকৰ অনুজ্ঞাপত্ৰ, পেনকাৰ্ড, পাৰপত্ৰ ইত্যাদি। ভোটদাতাগৰাকীৰ পৰিচয় সম্পৰ্কে নিশ্চিত তথ্য থাকিলে ফটোযুক্ত ভোটাৰ পৰিচয় পত্ৰত থকা বানান ভুল আদি উপেক্ষা কৰিবলৈ নিৰ্বাচন আয়োগে নিৰ্দেশ দিছে। ভোটাৰ পৰিচয় পত্ৰত থকা ফটোৰ বিসংগতিৰ বাবে ভোটদাতাগৰাকীৰ পৰিচয় সাব্যস্ত কৰাত সমস্যা হ’লে তেওঁ উল্লেখিত ১২ বিধ নথিৰ যিকোনো এবিধ দেখুৱাব লাগিব।

০০০০০০০

নিৰ্বাচনী ব্যস্ততাৰ মাজতেই অসমবাসীয়ে পৰম্পৰাগত উৎসাহ-উদ্দীপনাৰে হেঁপাহৰ ৰঙালী বিহু পালন কৰিবলৈ সাজু হৈছে। বিহুলৈ মাজত ছদিন থকা অৱস্থাত ৰাজ্যখনৰ প্ৰান্তে প্ৰান্তে উখল-মাখল পৰিৱেশে বিৰাজ কৰিছে। বিভিন্ন অঞ্চলত পৰম্পৰা অনুসৰি বিহু পালনৰ বাবে ৰাইজ সাজু হোৱাৰ সমান্তৰালভাৱে মঞ্চ বিহু উদ্‌যাপনৰো প্ৰস্তুতি চলিছে। বিহু হুঁচৰি, নাচৰ আখৰাৰ লগতে সংগীত শিল্পীসকলেও বিহু মঞ্চত জনসাধাৰণক মনোৰঞ্জন দিয়াৰ বাবে পূৰ্ণগতিত আখৰা চলাইছে। গুৱাহাটী মহানগৰীৰ বিভিন্ন প্ৰান্তত মঞ্চ বিহু আৰু মুকলি বিহু উদ্‌যাপন কৰা হ'ব। গুৱাহাটী মহানগৰীৰ লগতে ৰাজ্যৰ ঠায়ে ঠায়ে বিহু নাচৰ আখৰা আৰু কৰ্মশালা অনুষ্ঠিত হৈছে। উজনি অসমৰ বিভিন্ন অঞ্চলত বিহুৰ উলহ-মালহ পৰিলক্ষিত হোৱাৰ লগতে নামনি অসমতো জনসাধাৰণে বিহুৰ বাবে প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ কৰিছে। কোনো কোনো ঠাইত বিহুৰ সৈতে সংগতি ৰাখি থলুৱা খাদ্য মেলা, লোকবাদ্য আদি প্ৰতিযোগিতা আৰু সাজপাৰৰ বিপনী মুকলি কৰা হৈছে।

ooooooo

জনতাৰ শিল্পী জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰৰ শুনানি ন্যায়াধীশ শৰ্মিলা ভূঞাৰ ফাষ্টট্ৰেক আদালতত চলি আছে। ইতিমধ্যে অভিযুক্তসকলৰ ওপৰত বিচাৰৰ ধাৰা আৰোপ সম্পৰ্কীয় শুনানি  প্ৰায় সমাপ্ত হৈছে। আজি এজন অভিযুক্তৰ বিচাৰৰ ধাৰা সন্দৰ্ভত শুনানি গ্ৰহণৰ পাছতে জুবিন গাৰ্গৰ হৈ নিয়োগ কৰা বিশেষ লোক অধিবক্তাই অভিযুক্তসকলৰ বিৰুদ্ধে যুক্তি প্ৰদৰ্শন কৰিব। ইয়াৰ লগে লগে ৭ গৰাকী অভিযুক্তৰ বিৰুদ্ধে ধাৰা আৰোপ সম্পৰ্কীয় শুনানিৰ অন্ত পৰিব। ব'হাগ বিহুৰ পাছত গোচৰীয়া পক্ষৰ তৰফৰ পৰা প্ৰত্যুত্তৰ দিয়া হ'ব।

ooooo

মণিপুৰৰ বিষ্ণুপুৰ জিলাৰ ট্ৰংলাওবি গাঁৱৰ এটা পৰিয়ালৰ বাসগৃহত অচিনাক্ত দুৰ্বৃত্তই বোমাৰে কৰা আক্ৰমণত দুটি শিশুৱে প্ৰাণ হেৰুৱাৰ পাছতে ৰাজ্যখনত প্ৰতিবাদমুখৰ পৰিস্থিতিৰ সৃষ্টি হৈছে। সোমবাৰে নিশা সংঘটিত এই ঘটনাত দুটি শিশুৰ মৃত্যু হোৱাৰ লগতে মাতৃগৰাকী গুৰুতৰভাৱে আহত হৈ ইম্ফলৰ চিকিৎসালত চিকিৎসাধীন হৈ আছে। আৰক্ষীয়ে ঘটনাস্থলীৰ পৰা এটা বোমা উদ্ধাৰ কৰি নিষ্ক্ৰীয় কৰে। এই ঘটনাৰ পাছতে ৰাজ্যখনৰ ৫ খন উপত্যকা জিলা, পশ্চিম ইম্ফল, পূব ইম্ফল, কাকচিং, থৌবাল আৰু বিষ্ণুপুৰত বহু লোকে প্ৰতিবাদ সাব্যস্ত কৰে। তেওঁলোকে চি আৰ পি এফৰ চাউনীলৈ গৈ সুৰক্ষা বিচাৰি ধ্বনি দিয়ে। সুৰক্ষা বাহিনীয়ে পৰিস্থিতি নিয়ন্ত্ৰণৰ বাবে কন্দুৱা গেছ প্ৰয়োগ কৰাৰ লগতে শূন্যলৈ গুলীচালনা কৰাত কেইবাগৰাকী প্ৰতিবাদকাৰী আহত হয়। ইয়াৰ পাছতে একাংশ প্ৰতিবাদকাৰীয়ে ৰাজ্যখনৰ ৰাষ্ট্ৰীয় আৰু ৰাজ্যিক ঘাইপথসমূহ অৱৰোধ কৰে। ৰাজ্যৰ গৃহ  বিভাগে মণিপুৰত মোবাইল ডাটা আৰু ইণ্টাৰনেট সেৱা ৩ দিনৰ বাবে বন্ধ ঘোষণা কৰিছে। ইপিনে, স্পাইচজেট এয়াৰলাইন্সে কালিৰেপৰা ১৪ এপ্ৰিল পৰ্যন্ত মণিপুৰলৈ অহা-যোৱা কৰা বিমানসমূহৰ যাত্ৰা বাতিল কৰিছে। ইয়াৰ ফলত কোলকাতা-ইম্ফল-গুৱাহাটীৰ মাজত চলাচল কৰা বিমানৰ সেৱাও বাতিল কৰা হৈছে। উল্লেখযোগ্য যে যোৱা ১০ ফেব্ৰুৱাৰীত ইম্ফল-গুৱাহাটী আৰু কলকাতাৰ মাজত স্পাইচজেটে বিমান চলাচল আৰম্ভ কৰিছিল।

ooooooo

**সমাপ্ত**